**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। ভাৰত আৰু কানাডাই উভয় দেশৰ ৰাজধানীত উচ্চায়ুক্ত পুনৰ নিয়োগ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

২। অসম চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৪০০ গৰাকী চিকিৎসা বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

৩। মেঘালয় চৰকাৰে ৰঘুবংশী হত্যাকাণ্ডৰ পৰিপ্ৰেক্ষিতত home stays, resorts আৰু অতিথিশালাৰ পৰিচালকসকলক বাধ্যতামূলকভাৱে সকলো পৰ্যটকৰ নাম পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিছে।

৪। ভাৰতীয় মহাকাশচাৰীৰ শুভাংশু শুক্লাক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ কঢ়িয়াই নিবলগীয়া AXIOM-4 অভিযান পুনৰ অহা ২২ জুনলৈ পিছুৱাই দিয়া হৈছে।

আৰু

৫। ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলে জাৰ্মানীত ২১ জুনৰ পৰা হ'বলগীয়া চাৰিদেশীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বাংগালুৰুৰ পৰা ৰাওনা হৈছে।

ooooooo

ভাৰত আৰু কানাডাই উভয় দেশৰ ৰাজধানীত উচ্চায়ুক্ত পুনৰ নিয়োগ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কানানাস্কিছত অনুষ্ঠিত জি-চেভেন সন্মিলনত অংশগ্ৰহণৰ সুযোগতে যোৱানিশা দেশখনৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু এই বিষয়ে সহমত প্ৰকাশ কৰে। বৈঠকত দুয়োগৰাকী নেতাই উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্য, আইনৰ শাসনৰ প্ৰতি সন্মান আৰু সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতাৰ আদৰ্শ বৰ্তাই ৰখাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ ভিত্তিত ভাৰত আৰু কানাডাৰ মাজৰ সম্পৰ্কৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁলোকে লগতে ইতিবাচক আৰু সন্তুলিত সহযোগিতাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। এনেধৰণৰ সহযোগিতাই বিভিন্ন উদ্বেগৰ প্ৰতি পাৰস্পৰিক সন্মান, সংবেদনশীলতা আৰু জনসাধাৰণৰ মাজৰ শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীদ্বয়ে মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ বৈঠকৰ বিষয়ে প্ৰকাশ কৰি বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয়, যে শেহতীয়াকৈ উদ্ভৱ হোৱা উত্তেজনালৈ চাই দুয়োগৰাকী নেতাই ভাৰত আৰু কানাডাৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ পাৰস্পৰিক আকাংক্ষাৰ বিষয়ে আলোচনা কৰে। তেওঁলোকে লগতে বাণিজ্য, জনসম্পৰ্ক আৰু যোগাযোগ সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা পুনৰ আৰম্ভ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। নেতা দুগৰাকীয়ে উভয় দেশৰ মাজত পুনৰ আস্থা গঢ়ি তোলা আৰু সম্বন্ধত গতি প্ৰদানৰ উদ্দেশ্যে বিভিন্ন ক্ষেত্ৰত জ্যেষ্ঠ মন্ত্ৰী পৰ্যায়ৰ আলোচনা পুনৰ আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীদ্বয়ে নিকা শক্তি, ডিজিটেল ৰূপান্তৰ, কৃত্ৰিম বুদ্ধিমত্তা, তৰলীকৃত প্ৰাকৃতিক গেছ, খাদ্য সুৰক্ষা, দুৰ্লভ খনিজ পদাৰ্থ, উচ্চ শিক্ষা, গতিশীলতা আৰু সুস্থিৰ যোগান শৃংখলাৰ লেখীয়া ক্ষেত্ৰসমূহত ভৱিষ্যত সহযোগিতাৰ সুযোগৰ বিষয়ে আলোচনা কৰা বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

ooooooooo

অসম চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৪০০ গৰাকী চিকিৎসা বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ১৯ হাজাৰ ৯৬৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰে।

oooooo

বাণিজ্য মন্ত্ৰী পীযুষ গোৱেল আজি দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰিটেইন অভিমুখে ৰাওনা হৈছে। দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে অলপতে ভাৰত আৰু ব্ৰিটেইনৰ মুক্ত বাণিজ্য চুক্তি এফ টি এৰ অন্ত পেলোৱাৰ বিষয়ে ঘোষণা কৰাৰ বিপৰীতে এই ভ্ৰমণৰ জৰিয়তে ব্ৰিটেইনৰ সৈতে অৰ্থনৈতিক আৰু বাণিজ্যিক মিত্ৰতা শক্তিশালী কৰি তোলাত ভাৰতৰ কৌশলগত গুৰুত্ব প্ৰতিফলিত হৈছে। বাণিজ্যিক মন্ত্ৰ্যালয়ে এটা বিবৃতিৰ জৰিয়তে সদৰি কৰা অনুসৰি শ্ৰী গোৱেল, ব্ৰিটেইনৰ বাণিজ্য বিভাগৰ সচিব জনাথন ৰেনল্ডৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই এফ টি এ অৰ্থাৎ ভাৰত আৰু ব্ৰিটেইনৰ মুক্ত বাণিজ্য চুক্তি ক্ষেত্ৰ বুজাবুজিৰ দিশত হোৱা অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত লোৱা আৰু এই সিদ্ধান্ত ৰূপায়ণ কৰাৰ উদ্দেশ্যে নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিপূৰ্ণ কৰিব পৰা স্পষ্ট পৰিকল্পনা গ্ৰহণ কৰিব।

০০০০০০০০০

মেঘালয় চৰকাৰে ৰঘুবংশী হত্যাকাণ্ডৰ পৰিপ্ৰেক্ষিতত home stays, resorts আৰু অতিথিশালাৰ পৰিচালকসকলক বাধ্যতামূলকভাৱে সকলো পৰ্যটকৰ নাম পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিছে। ৰাজ্যখনৰ পৰ্যটন মন্ত্ৰী প'ল লিংড'ই কৈছে যে চৰকাৰে থকা-খোৱাৰ সুবিধা আগবঢ়োৱা সকলো গোটে যাতে অতিথিসকলৰ নাম পৰ্যটন এপৰ জৰিয়তে বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰে, সেয়া সুনিশ্চিত কৰিব। ৰাজ্য চৰকাৰে অলপতে নিজেই গাড়ী চালনা উপভোগ কৰিব খোজা পৰ্যটকসকললৈ ব্যক্তিগত বাহন ভাড়াত দিয়াটো নিষিদ্ধ কৰিছে। চৰকাৰে লগতে অপৰাধ নিয়ন্ত্ৰণৰ ব্যৱস্থা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে মেঘালয়ৰ আবাসিক সুৰক্ষা আৰু নিৰাপত্তা আইনখন পুনৰ বিবেচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে প্ৰভাৱিত লোকসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে।

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০০০

ভাৰতীয় মহাকাশচাৰীৰ শুভাংশু শুক্লাক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ কঢ়িয়াই নিবলগীয়া AXIOM-4 অভিযান পুনৰ অহা ২২ জুনলৈ পিছুৱাই দিয়া হৈছে। ৰাছিয়াৰ মহাকাশ কেন্দ্ৰত অলপতে হোৱা মেৰামতি সম্পৰ্কীয় কিছু কাম-কাজৰ পাছত নাছাই এই অভিযানৰ মূল্যায়ন কৰাৰ পৰিপ্ৰেক্ষিতত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। AXIOM SPACE-এ এই বিষয়ে সদৰি কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ইছৰ'ৰে প্ৰকাশ কৰা অনুসৰি মহাকাশচাৰীসকলৰ স্বাস্থ্য তথা প্ৰস্তুতি, বতৰৰ অৱস্থা, আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত বিশেষ মডিউলৰ মেৰামতি, ড্ৰেগ'ন মহাকাশযান, স্পেচ-এক্স ফেলকন নাইন মহাকাশ যান উৎক্ষেপন যানৰ প্ৰস্তুতিকে ধৰি কেইবাটাও দিশ চালি-জাৰি চোৱাৰ অন্তত AXIOM SPACE-এ সম্ভাব্য পৰৱৰ্তী তাৰিখৰ বিষয়ে সদৰি কৰিছে।

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয়, যে গুৰুত্বপূৰ্ণ দিশসমূহ মূল্যায়ন কৰাৰ অন্তত পৰৱৰ্তী তাৰিখ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে এয়া হৈছে আন্তঃৰাষ্ট্ৰীয় মহাকাশকেন্দ্ৰলৈ নাছাৰ চতুৰ্থটো ব্যক্তিগত অভিযান। নাছাৰ মহাকাশচাৰী পেগী ৱাইটচনে এই অভিযানৰ নেতৃত্ব দিব। ইছৰ'ৰ শুভাংশু শুক্লা এই অভিযানৰ পাইলত হোৱাৰ লগতে প'লেণ্ডৰ স্লাৱজ উজনানস্কি আৰু হাংগেৰীৰ তিব'ৰ কাপুৰে এই অভিযানৰ বিশেষজ্ঞ হিচাপে কাম কৰিব।

০০০০০০০০০

অন্ধ্ৰ প্ৰদেশৰ অল্লুৰী সীতাৰাম ৰাজু জিলাৰ কোন্দামন্দালু বনাঞ্চলত আজি সুৰক্ষা বাহিনী আৰু সশস্ত্ৰ মাওবাদীৰ মাজত হোৱা সংঘৰ্ষত মাওবাদীৰ তিনিজন শীৰ্ষ নেতা নিহত হয়। নিহত মাওবাদীকেইজনক মাওবাদীৰ বিশেষ মাণ্ডলিক কমিটীৰ সদস্য তথা নিহত মাওবাদী নেতা চলপতি ৰাওৰ পত্নী অৰুণা, কেন্দ্ৰীয় মাওবাদী কমিটীৰ সদস্য গজৰলা ৰবি ওৰফে উদয় আৰু এ অ' বিৰ বিশেষ মাণ্ডলিক মাওবাদী কমিটীৰ এ চি এম অঞ্জু বুলি চিনাক্ত কৰা হৈছে। সুৰক্ষা বাহিনীয়ে সংঘৰ্ষস্থলীৰ পৰা তিনিটা AK-47 ৰাইফল উদ্ধাৰ কৰিছে।

০০০০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লী শ্ৰেণীকোঠা নিৰ্মাণ কেলেংকাৰীৰ সৈতে জড়িত ঠিকাদাৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ ৩৭ টা চৌহদত তালাচী চলাই আছে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিভিন্ন বিদ্যালয়ত অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণত অনিয়ম হোৱা বুলি উঠা অভিযোগৰ বাবে সেই সময়ৰ মন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা মণিষ চিছ'দিয়া আৰু সত্যেন্দ্ৰ জৈন আৰু অন্যান্য ব্যক্তিৰ বিৰুদ্ধে দিল্লী আৰক্ষীৰ দুৰ্নীতি নিবাৰণী শাখাই ৰুজু কৰা এজাহাৰৰ সৈতে এই গোচৰটো জড়িত।

০০০০০০০০০

ইৰানে যোৱানিশা ইজৰাইলৰ বিৰুদ্ধে চলোৱা আক্ৰমণত শব্দতকৈ বেগী ক্ষেপনাস্ত্ৰ ব্যৱহাৰ কৰিছে। ইয়াৰ পাছতে ইৰানৰ সৰ্বোচ্চ নেতা আয়তুল্লা আলী খামেনেইয়ে সামাজিক মাধ্যমযোগে যুদ্ধ আৰম্ভ হৈছে বুলি সকিয়াই দিছে। ইৰানে ইজৰাইলক শক্তিশালী প্ৰত্যুত্তৰ দিব বুলি উল্লেখ কৰি শ্ৰী খামেনেইয়ে কয়, যে তেওঁলোকে দেশখনৰ প্ৰতি কোনোধৰণৰ অনুকম্পা প্ৰদৰ্শন নকৰে। ইপিনে, ইজৰাইলৰ সামৰিক বাহিনীয়ে তেহৰানৰ এটা কামাণ্ড কেন্দ্ৰৰ ওপৰত চলোৱা বিমান আক্ৰমণত আয়তুল্লা আলী খামেনেইৰ ঘনিষ্ঠ পৰামৰ্শদাতা তথা ইৰানত যুদ্ধকালীন চীফ অৱ্ ষ্টাফ আলী ছাদমানি নিহত হোৱাৰ কথা নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে তেহৰানক বিনাচৰ্তে আত্ম সমৰ্পন কৰিবলৈ দাবী জনাইছিল।

০০০০০০০০০

ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলে জাৰ্মানীত ২১ জুনৰ পৰা হ'বলগীয়া চাৰিদেশীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি বাংগালুৰুৰ পৰা ৰাওনা হয়। অধিনায়ক অৰিজিৎ সিং হুন্দল নেতৃত্বাধীন ভাৰতীয় দলটো ২১ জুনত জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দলটো ২২ জুনত অষ্ট্ৰেলিয়া আৰু ২৪ জুনত স্পেইনৰ সন্মুখীন হ'ব।

০০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইয়ে ইংলেণ্ডৰ বিৰুদ্ধে লীড্‌ছত হ'বলগীয়া প্ৰথমখন টেষ্টত ভাগ ল'বলগীয়া ভাৰতীয় দলত হৰ্ষিৎ ৰানাক অন্তৰ্ভুক্ত কৰিছে। হৰ্ষিৎ ৰানা ভাৰতীয় 'এ' দলৰ অংশ আছিল। শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে ইংলেণ্ডৰ বিৰুদ্ধে ৫ খনীয়া টেষ্ট শৃংখলাত অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত